দেশ

ইণ্ডিগোৰ কর্মচাৰীৰ ৰক্তাক্ত দেহ কেনেকৈ পালেগৈ মহাৰাষ্ট্ৰৰ জঙ্গল!

মহাৰাষ্ট্ৰৰ গোন্দিয়া জিলাৰ বন্দ্ৰানী জংঘলত ৰক্তাক্ত অৱস্থাত ইণ্ডিগোৰ কর্মচাৰী বর্ষা ঠাকুৰৰ মৃতদেহ উদ্ধাৰ হৈছে। আৰক্ষীয়ে তেওঁৰ বন্ধু নীতেশ আগৰৱালক আটক কৰি সোধা-পোছা চলাইছে।

প্ৰকাশ: ১৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৩



গোন্দিয়া: মহাৰাষ্ট্ৰৰ গোন্দিয়া জিলাৰ বন্দ্ৰানী জংঘলত ৰক্তাক্ত অৱস্থাত ইণ্ডিগোৰ কর্মচাৰী বর্ষা ঠাকুৰৰ মৃতদেহ উদ্ধাৰ হৈছে। ৩৫ বছৰীয়া বর্ষা পুনে বিমানবন্দৰত ইণ্ডিগোৰ টিকট কাউণ্টাৰত কর্মৰত আছিল।

পৰিয়ালৰ সূত্ৰ অনুসৰি, দীপাৱলীৰ ছুটি লৈ মধ্যপ্ৰদেশৰ বালাঘাট জিলাত থকা নিজৰ ঘৰলৈ আহিছিল বর্ষা। চিকিৎসালয়লৈ নিয়াৰ পিছত চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে।

আৰক্ষীৰ সূত্ৰ অনুসৰি, শনিবাৰে বিয়লি প্ৰায় ৪ বজাত বর্ষা ঘৰৰ পৰা ওলাই নীতেশ আগৰৱাল নামৰ বন্ধুজনৰ সৈতে নদীৰ পাৰত ফুৰিবলৈ গৈছিল। কেইঘণ্টামান পিছত নীতেশে বর্ষাৰ পৰিয়ালক ফোন কৰি তেওঁলোক ডাকাতৰ কবলত পৰা বুলি জনায়।

> মুখত মাস্ক পিন্ধা কেইজনমান লোকে জংঘলত তেওঁলোকক আগচি ধৰি সামগ্ৰী কাঢ়ি নিয়াৰ লগতে বর্ষাক আক্ৰমণ কৰিছিল বুলি নীতেশে দাবী কৰিছে।

অৱশ্যে নীতেশৰ ভাষ্যত অসংগতি লক্ষ্য কৰি আৰক্ষীয়ে তেওঁক আটক কৰি সোধা-পোছা চলাইছে। ডাকাতৰ সৈতে সংঘর্ষ বা হতাহতি হোৱা বুলি দাবী কৰাৰ পিছতো নীতেশৰ শৰীৰত কোনো আঘাতৰ চিন নথকাত আৰক্ষীৰ সন্দেহ ঘনীভূত হৈছে।

প্ৰাথমিক তদন্তত বর্ষাক ধাৰাল অস্ত্ৰৰে আঘাত কৰা হৈছিল বুলি সন্দেহ কৰা হৈছে। কিন্তু মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়াও নিশ্চিত হোৱা নাই। আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ অপেক্ষা কৰি তদন্ত অব্যাহত ৰাখিছে।

পৰিয়ালৰ সূত্ৰ অনুসৰি, বর্ষাৰ আঢ়ৈ বছৰীয়া এটি পুত্ৰ সন্তান আছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3629/indigo-kmcaee-mrritzu-gondiza-jngghl